

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

ৰাজনীতি বিজ্ঞান

পাঠ - ২

চৰকাৰৰ প্ৰকাৰ বা শ্ৰেণীবিভাগ

অংশ – ৫

বনজিৎ নাথ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —

১। ৰাষ্ট্ৰপতীয় চৰকাৰৰ গুণ আৰু দোষসমূহ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ৰাষ্ট্রপতীয় চৰকাৰৰ গুণ-

১) ৰাষ্ট্রপতীয় চৰকাৰত ৰাষ্ট্রৰ প্রতিজন এটা নির্দিষ্ট কার্যকালৰ বাবে নির্বাচিত হোৱা বাবে আৰু সহজে তেওঁক পদবীৰ পৰা আঁতৰ কৰিব নোৱাৰাৰ বাবে চৰকাৰখন স্থায়ী হয়। তাৰোপৰি ইয়াত বিধানমণ্ডলৰো নির্দিষ্ট কার্যকাল থাকে।

২) ক্ষমতাৰ পৃথকীকৰণ ব্যৱস্থাৰ বাবে তিনিওটা অংগই স্বাধীনভাৱে কাম কৰাৰ সুযোগ পায়। উল্লেখযোগ্য যে এই চৰকাৰত অৱৰোধন আৰু সন্তুলন নীতি থকা বাবে চৰকাৰৰ কোনো অংগই স্বেচ্ছাচাৰী হব নোৱাৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৩) এনে চৰকাৰ জৰুৰীকালীন অৱস্থাৰ বাবে অতি উপযোগী।

৪) কার্যপালিকা শক্তিশালী হোৱা বাবে এনে চৰকাৰে দেশৰ ঐক্য আৰু সংহতি সহজে ৰক্ষা কৰিব পাৰে।

ৰাষ্ট্রপতীয় চৰকাৰৰ দোষ

১) ৰাষ্ট্রপতীয় চৰকাৰত ৰাষ্ট্রপতিজনক বিধানমণ্ডলে নিয়ন্ত্রণ কৰিব নোৱাৰাৰ বাবে চৰকাৰ স্বেচ্ছাচাৰী হোৱাৰ আশংকা থাকে।

২) ক্ষমতাৰ পৃথকীকৰণ নীতিৰ বাবে ৰাষ্ট্রপতীয় চৰকাৰত কার্যপালিকা আৰু বিধানমণ্ডলৰ মাজত সহযোগীতা নাথাকে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ফলত সামগ্রীকভাৱে ই দেশৰ প্রশাসনত বিৰূপ প্রভাৱ পেলায়।

৩) ৰাষ্ট্রপতীয় চৰকাৰৰ অন্যতম বৈশিষ্ট্য হৈছে ইয়াৰ অনমনীয় সংবিধান। সংবিধানখন অনমনীয় হোৱাৰ বাবে পৰিৱর্তিত পৰিবেশ আৰু পৰিস্থিতিত সংবিধানখন সংশোধন কৰাত জটিলতা আহে।

৪) ৰাষ্ট্রপতীয় চৰকাৰত কার্যপালিকা আৰু বিধানমণ্ডল ৰাজনৈতিক দলৰ হলে ৰাজনৈতিক সংকট সৃষ্টিৰ সম্ভাৱনা অধিক।

৫) এই চৰকাৰত মন্ত্রীত্ব লাভৰ ক্ষেত্রত ব্যক্তিগত আনুগত্যই আৰু অধিক গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা থাকে।

২। সংসদীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্যসমূহ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

১) দুজন মুৰব্বী- এই চৰকাৰত দুজন মুৰব্বীৰ ব্যৱস্থা আছে । এজন প্রকৃত কার্যপালিকা আৰু আনজন নামমাত্র কার্যপালিকা। প্রধানমন্ত্রী- বাস্তবিক

২)কার্যপালিকাৰ সদস্যসকল বিধানমণ্ডলৰো সদস্য- এই চৰকাৰত কার্যপালিকা অর্থাৎ মন্ত্রীপৰিষদৰ সদস্যসকল বিধানমণ্ডলৰো সদস্য ।

৩। বিধানমণ্ডল আৰু কার্যপালিকাৰ ওচৰ সম্বন্ধ- সংসদীয় পদ্ধতিৰ চৰকাৰত বিধানমণ্ডল আৰু কার্যপালিকাৰ সম্পর্ক নিবিড়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। মন্ত্রী পৰিষদ বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ-

সংসদীয় পদ্ধতিৰ চৰকাৰত কার্যপালিকাই সকলো কাম কৰা বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ থাকে । বিধানমণ্ডলে অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰিলে মন্ত্রী পৰিষদে পদত্যাগ কৰিবলৈ বাধ্য হয়।

৫। মন্ত্রী পৰিষদৰ সামূহিক দায়বদ্ধতা-

এই চৰকাৰত মন্ত্রী পৰিষদখন সামূহিকভাৱে বিধানণ্ডলৰ ওচৰত দায়বদ্ধ হয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ বৰ্তমান কিয় জনপ্ৰিয় হৈছে, উদাহৰণসহ আলোচনা কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ বৰ্তমান জনপ্ৰিয় হোৱাৰ কাৰণবোৰ হ'ল - যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰত প্ৰতিখন ৰাজ্যই শাসনৰ সুবিধা লাভ কৰাৰ লগতে এখন বৃহৎ আৰু শক্তিশালী ৰাষ্ট্ৰৰ অংগৰাজ্যও হয় । ভিন্ন ধৰ্ম,জাতি আৰু ভাষিক গোষ্ঠী বসবাস কৰা এখন বিশাল ৰাষ্ট্ৰৰ বাবে যুক্তৰাষ্ট্ৰীয় চৰকাৰ বেছি ফলপ্ৰসূ হয়। তাৰোপৰি যুক্তৰাষ্ট্ৰীয় চৰকাৰ অধিক গণতান্ত্ৰিক । ওপৰত উল্লেখ কৰা কথাবোৰ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ গুণ বুলি কব পাৰি । আনহাতে, ইয়াৰ কিছুমান দোষো আছে । এই চৰকাৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰাত জটিলতাৰ সৃষ্টি হয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

এই চৰকাৰত আঞ্চলিকতাবাদ সৃষ্টি হোৱা সম্ভাৱনা থাকে । যুক্তৰাষ্ট্ৰীয় চৰকাৰত অর্থ ব্যয় অধিক। যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ উৎকৃষ্ট উদাহৰণ হ'ল - আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰ ।

উপৰোক্ত দোষবিলাক থকা সত্বেও বর্তমান পৃথিৱীত যুক্তৰাষ্ট্ৰীয় চৰকাৰে অধিক জনপ্রিয়তা লাভ কৰিছে । এটা শাসন পদ্ধতি হিচাপে যুক্তৰাষ্ট্ৰীয় চৰকাৰ ভৱিষ্যতে অধিক জনপ্রিয় হোৱাৰ সম্ভাৱনা আছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। এককেন্দ্রীয় চৰকাৰৰ বৈশিষ্ট্যসমূহ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

১) শক্তিশালী কেন্দ্রীয় চৰকাৰ- এনে চৰকাৰত সংবিধানে সকলো ক্ষমতা কেন্দ্রীয় চৰকাৰৰ ওচৰত ন্যস্ত কৰে।


২) লিখিত অথবা অলিখিত সংবিধান- এককেন্দ্রীয় চৰকাৰত সংবিধানখন লিখিত বা অলিখিত হব পাৰে। উদাহৰণস্বৰূপে ইংলেণ্ডৰ সংবিধানখন অলিখিত আৰু নেদাৰলেণ্ডৰ সংবিধানখন লিখিত।

৩) একক নাগৰিকত্ব- একক নাগৰিকত্ব এককেন্দ্রীয় চৰকাৰৰ প্রধান বৈশিষ্ট্য।

৪) দুর্বল ন্যায়পালিকা- এককেন্দ্রীয় চৰকাৰত আইন সভাৰ প্রাধান্য পৰিলক্ষিত হয়।

আইন সভাই প্রণয়ন কৰা আইনক ন্যায়পালিকাই অসংবিধানিক বুলি ঘোষণা কৰিব নোৱাৰে।

৫) নমনীয় সংবিধান- এককেন্দ্রীয় চৰকাৰৰ সংবিধান সাধাৰণতে নমনীয় হয়। কেন্দ্রীয় চৰকাৰে নিজৰ প্রয়োজনত সংবিধানখন সংশোধন কৰিব পাৰে।



৫। এককেন্দ্রীয় চৰকাৰ প্ৰকৃততে গণতান্ত্ৰিকনে? সমালোচনা আগবঢ়োৱা।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ এককেন্দ্রীয় চৰকাৰত প্রশাসনিক গোট থাকে এনে গোটবোৰ স্বতন্ত্রতাৰ অভাৱত সমস্যা সমাধানত ব্যর্থ হয়। এনে চৰকাৰত আমোলাসকলৰ প্রভাৱ বেছি গতিকে দুর্নীতিয়ে প্রশ্রয় পায়। জনগন ৰাজনৈতিকভাবে সক্রিয় হব নোৱাৰে। এনেবোৰ বৈশিষ্ট্যৰ বাবে এককেন্দ্রীয় চৰকাৰক প্রকৃততে গণতান্ত্রিক বুলি কব নোৱাৰি। কিন্তু ইংলেণ্ড, ফ্রান্স আদি দেশত এই চৰকাৰ গণতান্ত্রিক ভাৱে নির্বাচিত হৈ সুচাৰুৰূপে কাম কৰি আছে বাবে আমি এককেন্দ্রীয় চৰকাৰক অগনতান্ত্রিক বুলিও কব নোৱাৰো। কিন্তু ভাৰতবর্ষ আদিৰ দৰে বৃহৎ আকাৰৰ ৰাষ্ট্র আৰু বহুল জনসংখ্যাৰে পৰিপূর্ণ দেশ এখনত

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

য'ত বিভিন্ন জাতি-উপজাতি, ভাষা-ভাষী লোকে বাস কৰে, তেনে দেশত এককেন্দ্ৰীয় চৰকাৰ অগণতান্ত্ৰিক হোৱা সম্ভাৱনা নথকা নহয়।

